# গড়গাঁও মহাবিদ্যালয়
# GARGAON COLLEGE

NAAC accredited with 'B' Grade

## Different Language Skills Programme organized by Assamese Department






অসমীয়া বিভাগ



গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade
শিমলুগুৰি, শিৱসাগৰ
Department Of Assamese

2021-22

**Skill development Programme**

**Number of Programme 5**

1"Bhupen Hazarika Geet: Ak Samgrik Pjyalosana"

(5 Nov, 2021, All Assam Essay Competition to develop writing skill)

2."Prativa Sandhani Anusthan & Gahna Gogoi Sonwarani Bata Pradan Anusthan"

(18 Nov, 2021, A Programme Students different skills development)

3) "Asomiya Bhasat Mukta Saikhik Samal: Aharan Aru Byaher"

(Date-01-06-2022, National workshop to develop language & Computer Skills in Assamese)

4) "Asomiya Gdyasoilee Bisar" Date National workshop) Date 13-06-2022

(Date-13-06-2022 National workshop to Develop language Skills)

5) An event was held for traditional food preparation

(Date 18-04-2022, to develop Assamese food skills)

**1. "Bhupen Hazarika Geet: Ak Samgrik Pjyalosana"**

(5 Nov, 2021, All Assam Essay Competition to develop writing skill)

**৫ নৱেম্বৰ, ২০২১**

**ক) বিষয়** 'ভূপেন হাজৰিকাৰ গীত : এক সামগ্রিক পর্যালোচনা' বিষয়ত প্রবন্ধ প্রতিযোগিতা

**ক্ষেত্র-সাহিত্য, অসমীয়া গীতি সাহিত্য**

**সমন্বয়ক –দেৱযানী বকলীয়াল, ড° অংকুৰ দত্ত**

**প্রচাৰ-পত্র (Flyer)**

গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade




## পুৰস্কাৰ প্ৰাপ্ত কৃতি শিক্ষাৰ্থীসকলৰ ফলাফল (Awarded Students)

অসমীয়া বিভাগ
গড়গাঁও মহাবিদ্যালয়
*Assamese Department*
Gargaon College
Estd. - 1959
P.O. Simaluguri, Dist. Sivasagar (Assam)

*Ref. No.*..........................  *Date* 5 | 11/21

**অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম ভিত্তিত অনলাইন জমা দিয়া প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল**

প্ৰথম : নৱকান্ত বৰুৱা, নৰ্থ লখিমপুৰ কলেজ( স্বা. )
দ্বিতীয়: বুদ্ধিদীপ্ত দিহিঙ্গীয়া, জেংৰাইমুখ মহাবিদ্যালয়
তৃতীয়- চয়নিকা চলিহা, শিৱসাগৰ মহাবিদ্যালয়
চতুৰ্থ- ১)মধুচন্দ্ৰিকা ফুকন, মৰাণ মহাবিদ্যালয়
২) প্ৰস্তুতি ফুকন, গড়গাঁও মহাবিদ্যালয়
বিচাৰকৰ বিশেষ বঁটা-
১) সৌৰভ জ্যোতি বৰা, নৰ্থ লখিমপুৰ কলেজ( স্বা. )
২) মনোজ গগৈ, গড়গাঁও মহাবিদ্যালয়
৩) কৰৱী গগৈ,গড়গাঁও মহাবিদ্যালয়
৪) ৰীমা দাস, গুৱাহাটী মহাবিদ্যালয়
৫) ৰজিনা খাতুন, ৰূপহী মহাবিদ্যালয়
৬) গাৰ্গী বৰুৱা, গড়গাঁও মহাবিদ্যালয়

নীলাক্ষি চেতিয়া
নীলাক্ষি চেতিয়া
বিভাগীয় প্ৰধান

প্ৰণৱ দুৱৰা, কণজুন হাজৰিকা, সহকাৰী অধ্যাপক
প্ৰিয়মা দিহিঙ্গীয়া , সহযোগী অধ্যাপক
দেৱযানী বকলীয়াল
ড° অংকুৰ দত্ত, সহকাৰী অধ্যাপক
অসমীয়া বিভাগ, গড়গাঁও মহাবিদ্যালয়
তথা প্ৰতিযোগিতা আয়োজক সমিতি

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
গড়গাঁও মহাবিদ্যালয়

গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

**পুৰস্কাৰ পোৱা শিক্ষাৰ্থীসকলৰ মনোভাৱ- অসমীয়া বিভাগৰ বিভাগীয় ফেচবুক পেজৰপৰা-**

**(Speech of students Official Face book Link)**

**https://fb.watch/iEGNDLSRg9/**

**https://fb.watch/iEGOJG2Pge/**

**দৈনিক বাতৰি কাকতত কৰ্মশালাৰ সম্পৰ্কে প্ৰকাশিত সংবাদ-(Media Coverage)**



## গড়গাঁও কলেজত প্ৰবন্ধ প্ৰতিযোগিতা

ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩০ ছেপ্টেম্বৰ ঃ শিৱসাগৰ জিলাৰ অন্যতম উচ্চশিক্ষাৰ অনুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত অসম ভিত্তিত অনলাইন প্ৰবন্ধ প্ৰতিযোগিতা এখনি অনুষ্ঠিত কৰিবলৈ লৈছে। প্ৰতিযোগিতাখনি স্নাতক শিক্ষাৰ্থীসকলৰ মাজত এটা শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত ভাগ *৮ পৃষ্ঠাত*

## গড়গাঁও কলেজত প্ৰবন্ধ

ল'বলৈ শিক্ষাৰ্থীসকলে 'ভূপেন হাজৰিকাৰ গীতঃ এক সামগ্ৰিক পৰ্যালোচনা' বিষয়ত অসমীয়া অথবা ইংৰাজী ভাষাত ১২০০-১৫০০ শব্দৰ ভিতৰত মৌলিক চিন্তা-চেতনাৰে প্ৰবন্ধ লিখিব লাগিব। প্ৰতিযোগীসকলে তেওঁলোকৰ নাম, শিক্ষানুষ্ঠানৰ নাম, ঠিকনা, মোবাইল নম্বৰ, ই-মেইল উল্লেখ কৰাৰ লগতে শিক্ষানুষ্ঠানৰ পৰিচয়-পত্ৰ লগত সংযুক্ত কৰি ২৫ অক্টোবৰ, ২০২১ ৰ ভিতৰত departmentassamesegc@gmail.com লৈ প্ৰেৰণ কৰিব লাগিব। প্ৰবন্ধ টাইপ কৰি পিডিএফত অথবা হাতে লিখা হ'লে পৰিপাটিকৈ এপিঠিত লিখি স্পষ্টকৈ ফটো তুলি পিডিএফ জমা দিব লাগিব। প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ীক মান-পত্ৰৰ লগতে একাদিক্ৰমে ৩০০০, ২০০০, ১০০০ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰা হ'ব। তদুপৰি সকলো অংশগ্ৰহণকাৰীক অংশগ্ৰহণৰ প্ৰমাণ-পত্ৰ প্ৰদানৰ লগতে মানসম্পন্ন প্ৰবন্ধসমূহ কিতাপ, আলোচনীত প্ৰকাশৰ ব্যৱস্থা কৰা হ'ব বুলি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই জানিবলৈ দিয়ে। অহা ৫ নৱেম্বৰ, ২০২১ তাৰিখে সুধাকণ্ঠৰ দশম মৃত্যু বাৰ্ষিকী উপলক্ষে মহাবিদ্যালয় পৰিয়ালৰদ্বাৰা অনুষ্ঠিত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হ'ব। আয়োজক সমিতিৰ অন্যতম মুখ্য উপদেষ্টা তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক নীলাক্ষি চেতিয়া, আহ্বায়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক প্ৰণৱ দুৱৰা, ঋণজুন হাজৰিকা, সহযোগী অধ্যাপক প্ৰিয়মা দিহিঙীয়া আৰু প্ৰতিযোগিতাখনিৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়াল আৰু ড° অংকুৰ দত্তই নৱ প্ৰজন্মক ভূপেন হাজৰিকাৰ গীতৰ অধ্যয়ন, চৰ্চাৰ প্ৰাসংগিকতা অনুধাৱন কৰাৰ লগতে অসমৰ সকলো মহাবিদ্যালয়ৰ স্নাতক শিক্ষাৰ্থীসকলক এই প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ আহবান জনাইছে। প্ৰতিযোগিতাখনিৰ সমন্বয়কদ্বয়ে শিক্ষাৰ্থীসকলৰ যোগাযোগৰ ক্ষেত্ৰত সুবিধাৰ বাবে আগবঢ়োৱা ভ্ৰাম্যভাষ নম্বৰকেইটা হৈছে ৮০১১৫০৬৯৭৫, ৮৪০২০১২৭৮০ আৰু ৭০০২৯৭১০০২।

বিশদ বিৱৰণ

### গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত অসম ভিত্তিত প্ৰাইজমণি প্ৰবন্ধ প্ৰতিযোগিতা

শিৱসাগৰ জিলাৰ অন্যতম উচ্চশিক্ষাৰ অনুষ্ঠান গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সোঁৱৰণত অসম ভিত্তিত অনলাইন প্ৰবন্ধ প্ৰতিযোগিতা এখনি অনুষ্ঠিত কৰে৷ শিক্ষাৰ্থীসকলৰ মাজত ভূপেন হাজৰিকা বিষয়ত লেখন শৈলী বিকাশৰ বাবে এই

প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়৷ প্ৰতিযোগিতাখনিৰ সমন্বয়ক তথা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়াল আৰু ড° অংকুৰ দত্তই নৱ-প্ৰজন্মক ভূপেন হাজৰিকাৰ গীতৰ অধ্যয়ন, চৰ্চাৰ প্ৰাসংগিকতা অনুধাৱন কৰাৰ লগতে অসমৰ সকলো মহাবিদ্যালয়ৰ স্নাতক শিক্ষাৰ্থীসকলক এই প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। প্ৰতিযোগিতাখনি স্নাতক শিক্ষাৰ্থীসকলৰ মাজত এটা শাখাত অনুষ্ঠিত হয়। ৫ নৱেম্বৰ , ২০২১ তাৰিখে সুধাকণ্ঠৰ দশম মৃত্যু বাৰ্ষিকী উপলক্ষে মহাবিদ্যালয় পৰিয়ালৰ দ্বাৰা অনুষ্ঠিত বিশেষ শ্ৰদ্ধাঞ্জলী অনুষ্ঠানত প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয় । প্ৰতিযোগিতাৰ ফলাফল এনেধৰণৰ হয়-প্ৰবন্ধ প্ৰতিযোগিতাত তৃতীয় আৰু চতুৰ্থ স্থানত থাকে ক্ৰমে চয়নিকা চলিহা আৰু প্ৰস্তুতি ফুকন। অসম ভিত্তিত অনুষ্ঠিত অনলাইন জমা দিয়া প্ৰবন্ধ প্ৰতিযোগিতাত দ্বিতীয় স্থানত থাকে বুদ্ধিদীপ্ত দিহিঙ্গীয়া। প্ৰবন্ধ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে নৰ্থ লখিমপুৰ কলেজ (স্বা.)ৰ ছাত্ৰ নৱকান্ত বৰুৱাই।

**Details** -The competition is held to develop writing style on Bhupen Hazarika among the students. The competition was coordinated by Assistant Professors of Assamese Department Devajani Bakalial and Dr. Ankur Dutta and urged the graduate students of all colleges in Assam to participate in the competition. The competition was held in one category among graduate students. The results of the competition were announced on November 5 , 2021 at a special tribute ceremony organized by the college family on the occasion of the 10th death anniversary of Bhupen Hazarika. The third and fourth place winners in the essay competition were Chayanika Chaliha and Prastuti Phukan respectively. The 2nd place winner of the online submission competition was Buddhidipta Dihingia. The 1st place winner of the online submission competition was Navakanta Barua of North Lakhimpur College (A).

**2. "Prativa Sandhani Anusthan & Gahna Gogoi Sonwarani Bata Pradan Anusthan"**

**(18 Nov, 2021, A Programme to Students different skills development)**

**১৮ ডিচেম্বৰ, ২০২১**

বিষয় 'প্ৰতিভা সন্ধানী অনুষ্ঠান' আৰু ঘন গগৈ সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান

ক্ষেত্ৰ-ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা কৰ্ষণ কৰা আৰু উৎসাহ প্ৰদান কৰা

বিগত বৰ্ষবোৰৰ দৰে ১৮ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ শৈক্ষিক প্ৰেক্ষাগৃহত অসমীয়া বিভাগ 'প্ৰতিভা সন্ধানী অনুষ্ঠান' আৰু ঘন গগৈ সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান আয়োজন কৰা হয়৷ ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশ সাধন কৰাৰ লগতে শ্ৰেষ্ঠ স্নাতকজনক ঘন গগৈ

সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। এই বৰ্ষৰ ঘন গগৈ সোঁৱৰণী বঁটা লাভ কৰে মুনমী চেতিয়াই। এই দিনটোতে বিভাগীয় প্ৰাচীৰ পত্ৰিকা ‘ৰামধেনু’ খনো উন্মোচন কৰা হয়।

**Details-** As in previous years, the Assamese Department organized a 'Prativa Sandhani Anusthn' and Ghan Gogoi Memorial Awards Ceremony on 18th November at the Academic Hall of the college The event was held to develop the latent talents of the students and the best graduate was awarded the Ghana Gogoi Memorial Award. This year's Ghana Gogoi Memorial Award went to Munmi Chetia. The departmental wall magazine 'Ramdhenu' was also launched on the same day)

অনুষ্ঠানৰ স্থিৰ চিত্ৰ(Picture of the Event)









3. **“Asomiya Bhasat Mukta Saikhik Samal: Aharan Aru Byahar”**

**(Date-01-06-2022, National workshop to develop language & Computer Skills in Assamese)**

**Resource Person-Dr Swapna Bora, Asstt. Professor, TLC, Tezpur University**

**১-০৬-২০২২**

**ক) বিষয়** “অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল: আহৰণ আৰু ব্যৱহাৰ” **বিষয়ত ৰাষ্ট্ৰীয় কৰ্মশালা**

**ক্ষেত্ৰ-ভাষা, অসমীয়া ভাষা- সাহিত্যত কম্পিউটাৰ আৰু ইন্টাৰনেট**

**কৰ্মশালাৰ সমল বক্তা**-ড° স্বপ্না বৰা সহকাৰী অধ্যাপক, শিক্ষণ শিকন কেন্দ্ৰ, তেজপুৰ **বিশ্ববিদ্যালয়**

**সমন্বয়ক – ৰুণজুন হাজৰিকা, দেৱযানী বকলীয়াল**

**সহযোগী -ড° অংকুৰ দত্ত**

**প্ৰচাৰ-পত্ৰ (Flyer)**




**পঞ্জীয়ন লিংক (Registration Link)**


https://docs.google.com/forms/d/e/1FAIpQLSeQU2hMcixPMhxcUD7twqtkPhOBc4f8j_lLppj7BXxlIzVS9A/viewform?usp=sf_link

**ইউটিউব লিংক**-YouTube link –

গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade


**https://www.youtube.com/live/9y8n4y0h0cM?feature=share**

**অনুষ্ঠানৰ স্থিৰ –চিত্ৰ-**(Picture of the Event)









**দৈনিক বাতৰি কাকতত কৰ্মশালাৰ সম্পৰ্কে প্ৰকাশিত সংবাদ-**

## গড়গাঁও মহাবিদ্যালয়ত ‘অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল ঃ আহৰণ-ব্যৱহাৰ’ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা

**ষ্টাফৰিপৰ্টাৰ শিৱসাগৰ, ২ জুনঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সহযোগত যোৱা ১ জুন তাৰিখে ‘অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল: আহৰণ আৰু ব্যৱহাৰ’ শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। সাম্প্ৰতিক প্ৰেক্ষাপটত বিষয়টোৰ গুৰুত্ব তথা প্ৰাসংগিকতা ব্যাখ্যাৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই কৰ্মশালাখনৰ শুভ উদ্বোধন কৰি কয় যে এনেধৰণৰ আলোচনাই অসমীয়া ভাষা-সাহিত্যক নতুন আয়তন প্ৰদানত সহায় কৰিব। তদুপৰি মুক্ত শৈক্ষিক সমল নিৰ্বাচনৰ ক্ষেত্ৰত শুদ্ধতা, নিৰ্ভৰযোগ্যতা ইত্যাদি দিশৰ প্ৰতিও গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি তেখেতে মত প্ৰকাশ কৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক নীলাক্ষি চেতিয়াই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে কৰ্মশালাৰ সমল ব্যক্তি তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষণ শিকন কেন্দ্ৰৰ সহকাৰী প্ৰাধ্যাপক ড° স্বপ্না বৰাই অংশগ্ৰহণকাৰীসকলক মুক্ত শৈক্ষিক সমলৰ ধাৰণা, বিভিন্ন উৎস, ব্যৱহাৰ তথা কপিৰাইট, প্লেজাৰিজিম ইত্যাদি দিশ সামৰি বিস্তৃত ৰূপত আলোচনা কৰে। পুৰণি অসমীয়া কিতাপ, আলোচনী, পত্ৰিকা ইত্যাদি উপলব্ধ ৱেবছাইটসমূহৰ বিষয়ে অৱগত কৰি সমল ব্যক্তিগৰাকীয়ে কয় যে মুক্ত শৈক্ষিক সমলৰ সঠিক সন্ধান আৰু উপযুক্ত ব্যৱহাৰে শিক্ষাৰ্থীসকলক নিশ্চিতভাৱে উপকৃত কৰিব। বক্তব্যৰ অন্তত সমল ব্যক্তিগৰাকীয়ে অংশগ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। অসমৰ বিভিন্ন ঠাইৰ দুইশতাধিক শিক্ষক, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়ালে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ দত্তই সমল ব্যক্তি ড° স্বপ্না বৰাৰ লগতে সকলো অংশগ্ৰহণকাৰীলৈ শলাগৰ শৰাই আগবঢ়ায়। তদুপৰি কৰ্মশালাখনৰ সফল সমাপনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়া, মুখ্য সমন্বয়ক ৰূণজুন হাজৰিকা আৰু দেৱযানী বকলীয়ালৰ লগতে কাৰিকৰী দিশত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়া, অসমীয়া বিভাগৰ সহযোগী অধ্যাপক প্ৰণৱ দুৱৰা, প্ৰিয়মা দিহিঙীয়া আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, সদস্যৰ হৈ মতামত আগবঢ়োৱা সম্পাদক তথা গড়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিতোপল বৰগোহাঞিক বিশেষভাৱে ধন্যবাদ জনায় তথ্যসমৃদ্ধ তথা বিশদভাৱে কৰা আলোচনাটিয়ে স্নাতক, স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থী, গৱেষক, অধ্যাপকসকলৰ লগতে অসমীয়া ভাষা-সাহিত্য অধ্যয়নৰ প্ৰতি আগ্ৰহী লোকসকলক বিশেষভাৱে উপকৃত কৰে।

বিশদ-বিৱৰণ-গড়গাঁও মহাবিদ্যালয়ত ‘অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল: আহৰণ আৰু ব্যৱহাৰ’ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা সম্পন্ন

ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সহযোগত যোৱা ১ জুন তাৰিখে 'অসমীয়া ভাষাত মুক্ত শৈক্ষিক সমল: আহৰণ আৰু ব্যৱহাৰ' শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ এদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈ যায়। সাম্প্ৰতিক প্ৰেক্ষাপটত বিষয়টোৰ গুৰুত্ব তথা প্ৰাসংগিকতা ব্যাখ্যাৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই কৰ্মশালাখনৰ শুভ উদ্বোধন কৰি কয় যে এনেধৰণৰ আলোচনাই অসমীয়া ভাষা-সাহিত্যক নতুন আয়তন প্ৰদানত সহায় কৰিব। তদুপৰি মুক্ত শৈক্ষিক সমল নিৰ্বাচনৰ ক্ষেত্ৰত শুদ্ধতা, নিৰ্ভৰযোগ্যতা ইত্যাদি দিশৰ প্ৰতিও গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি তেখেতে মত প্ৰকাশ কৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক নীলাক্ষি চেতিয়াই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে কৰ্মশালাৰ সমল ব্যক্তি তেজপুৰ বিশ্ববিদ্যালয়ৰ শিক্ষণ শিকন কেন্দ্ৰৰ সহকাৰী প্ৰাধ্যাপক ড০ স্বপ্না বৰাই অংশগ্ৰহণকাৰীসকলক মুক্ত শৈক্ষিক সমলৰ ধাৰণা, বিভিন্ন উৎস, ব্যৱহাৰ তথা কপিৰাইট, প্লেজাৰিজিম ইত্যাদি দিশ সামৰি বিস্তৃত ৰূপত আলোচনা কৰে। পুৰণি অসমীয়া কিতাপ, আলোচনী, পত্ৰিকা ইত্যাদি উপলব্ধ ৱেবছাইটসমূহৰ বিষয়ে অৱগত কৰি সমল ব্যক্তিগৰাকীয়ে কয় যে মুক্ত শৈক্ষিক সমলৰ সঠিক সন্ধান আৰু উপযুক্ত ব্যৱহাৰে শিক্ষাৰ্থীসকলক নিশ্চিতভাৱে উপকৃত কৰিব। বক্তব্যৰ অন্তত

সমল ব্যক্তিগৰাকীয়ে অংশগ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। অসমৰ বিভিন্ন ঠাইৰ দুই শতাধিক শিক্ষক, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়ালে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° অংকুৰ দত্তই সমল ব্যক্তি ড° স্বপ্না বৰাৰ লগতে সকলো অংশগ্ৰহণকাৰীলৈ শলাগৰ শৰাই আগবঢ়ায়। তদুপৰি কৰ্মশালাখনৰ সফল সমাপনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়া, মুখ্য সমন্বয়ক ৰুণজুন হাজৰিকা আৰু দেৱযানী বকলীয়ালৰ লগতে কাৰিকৰী দিশত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়া, অসমীয়া বিভাগৰ সহযোগী অধ্যাপক প্ৰণৱ দুৱৰা, প্ৰিয়মা দিহিঙীয়া আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, সদস্যৰ হৈ মতামত আগবঢ়োৱা সম্পাদক তথা গড়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিতোপল বৰগোহাঞিক বিশেষভাৱে ধন্যবাদ জনায়। তথ্যসমৃদ্ধ তথা বিশদভাৱে কৰা আলোচনাটিয়ে স্নাতক, স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থী, গৱেষক, অধ্যাপকসকলৰ লগতে অসমীয়া ভাষা-সাহিত্য অধ্যয়নৰ প্ৰতি আগ্ৰহী লোকসকলক বিশেষভাৱে উপকৃত কৰে।

Details-National Level Workshop on ' Asomiya Bhasat Mukta Saikhik Samal: Aharan Aru Byahar ' was held at Gargaon College

The 1st June 2013 was a national level workshop on ' **Asomiya Bhasat Mukta Saikhik Samal: Aharan Aru Byahar** ' organized by the Assamese Department of Gargaon College and in collaboration with Gargaon Branch Sahitya Sabha. The workshop was inaugurated by Dr. Sabya Sachi Mahanta, Principal of the College, who explained the importance and relevance of the topic in the current context. He also said that there is a need to pay attention to accuracy, reliability etc. in the selection of open educational resources. After the welcome speech by Head of Assamese Department and Associate Professor Nilakshi Chetia, Dr. Swapna Bora, Assistant Professor, Teaching and Learning Centre, Tezpur University discussed the concept of open educational resources, various sources, uses and copyright, plagiarism etc. with the participants. The resource person informed about the available websites like old Assamese books, magazines, magazines etc. and said that proper search and proper use of open educational resources will surely benefit the students. After the speech, the resource person answered various questions of the participants. The seminar was attended by more than 200 teachers, researchers and students from different parts of Assam The program concluded with a vote of thanks by Dr. Ankur Dutta, Assistant Professor, Assamese Department, Resource Person, Dr. Swapna Bora and all the participants The workshop was conducted by the Principal of the college Dr. Sabyasachi Mahanta, Head of Assamese Department Nilakshi Chetia, Chief Coordinators Runjun Hazarika and Devajani Bakalial and the Coordinator of Internal Quality Assurance Cell of the college. The discussion was informative and detailed and was of particular benefit to undergraduate and

postgraduate students, researchers, professors and those interested in the study of Assamese language and literature.

**4. "Asomiya Gdyasoilee Bisar" National workshop) Date 13-06-2022**

**Resource Person-Dr. Bibha Bharli, Professor, Deptt. Of Assamese, Gauhatiy University**

**১৩-০৬-২০২২**

**খ) বিষয় 'অসমীয়া গদ্যৰ শৈলী বিচাৰ' বিষয়ত ৰাষ্ট্ৰীয় কৰ্মশালা**

**ক্ষেত্ৰ-ভাষা**

**কৰ্মশালাৰ সমল বক্তা-ড° বিভা ভৰালী , (জেষ্ঠ প্ৰাধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়)**

**সমন্বয়ক - প্ৰণৱ দুৱৰা, ড° অংকুৰ দত্ত**

**সহযোগী -দেৱযানী বকলীয়াল**

**প্ৰচাৰ-পত্ৰ(Flyer)**




গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

**পঞ্জীয়ন লিংক-(Registration Link)**

https://docs.google.com/forms/d/e/1FAIpQLSd8lroOaAH_FBvHCooR4HGTJcUR3n3qY34K_M8qzL0fi-mqxw/viewform?usp=sf_link

**ইউটিউব লিংক**-YouTube link -https://www.youtube.com/live/UxcZ66WzNq8?feature=share

**অনুষ্ঠানৰ স্থিৰ –চিত্ৰ-** (Picture of  the Event)



**দৈনিক বাতৰি কাকতত কৰ্মশালাৰ সম্পৰ্কে প্ৰকাশিত সংবাদ- (Media Coverage)**

# গড়গাঁও মহাবিদ্যালয়ত 'অসমীয়া গদ্যৰ শৈলী বিচাৰ' বিষয়ত ৰাষ্ট্ৰীয় কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৫ জুন ঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত 'অসমীয়া গদ্যৰ শৈলী বিচাৰ' বিষয়ত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ এদিনীয়া কৰ্মশালা কালি অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত কৰ্মশালাখন উদ্বোধন কৰি গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্তই কয় যে এনেধৰণৰ আলোচনাই অসমীয়া ভাষা-সাহিত্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে আগ্ৰহীসকলক যথেষ্ট উপকৃত কৰিব। তদুপৰি তেওঁ অসমীয়া গদ্যৰ ইতিহাসৰ এটি ৰেঙণিও দাঙি ধৰে। অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক নীলাক্ষি চেতিয়াই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে কৰ্মশালাৰ সমল ব্যক্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জেষ্ঠ প্ৰাধ্যাপক ডঃ বিভা ভৰালীয়ে অংশগ্ৰহণকাৰীসকলক প্ৰাচীন শিলালিপি পৰা আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ ইতিহাস দাঙি অসমীয়া গদ্যৰ গতি-প্ৰকৃতি বিষয়ে বিস্তৃত ৰূপত আলোচনা কৰে। তেওঁ শংকৰদেৱৰ সাহিত্যৰ জৰিয়তে আৰম্ভ হোৱা অসমীয়া গদ্যৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈ অসমীয়া গদ্যশৈলীৰ প্ৰতিটো স্তৰৰ বিশেষত্ব লগতে গদ্যৰ বিকাশত অৰিহণা আগবঢ়োৱা প্ৰতিজন মুল গদ্যকাৰৰ গদ্যশৈলীক পুংখানুপুংখভাৱে অৱলোকন কৰি শিক্ষাৰ্থীসকলক উপকৃত কৰে। বক্তব্যৰ অন্তত সমল ব্যক্তিগৰাকীয়ে অংশগ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে। অসমৰ বিভিন্ন ঠাইৰ তিনি শতাধিক শিক্ষক, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেবযানী বকলীয়ালে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক তথা কৰ্মশালাৰ সমন্বয়ক প্ৰণৱ দুৱৰাই সমল ব্যক্তি ডঃ বিভা ভৰালীৰ লগতে সকলো অংশগ্ৰহণকাৰীলৈ শলাগৰ শৰাই আগবঢ়ায়। তদুপৰি কৰ্মশালাখনৰ সফল সমাপনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্ত, অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়া, মুখ্য সমন্বয়ক ডঃ অংকুৰ দত্ত লগতে কাৰিকৰী দিশত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ডঃ সুৰজিত শইকীয়া আৰু দেবযানী বকলীয়াল; অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, সদস্যৰ হৈ মতামত আগবঢ়োৱা সম্পাদক তথা গড়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিতোপল বৰগোহাঞিক বিশেষভাৱে ধন্যবাদ জনায়। তথ্যসমৃদ্ধ তথা বিশদভাৱে কৰা আলোচনাটিয়ে স্নাতক, স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থী, গৱেষক, অধ্যাপকসকলৰ লগতে অসমীয়া ভাষা-সাহিত্য অধ্যয়নৰ প্ৰতি আগ্ৰহী লোকসকলক বিশেষভাৱে উপকৃত কৰে।

বিশদ বিৱৰণ- যোৱা ১৩ জুন ২০২২, তাৰিখে শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত 'অসমীয়া গদ্যৰ শৈলী বিচাৰ' বিষয়ত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়৷ মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সহযোগত অনুষ্ঠিত কৰ্মশালাখন উদ্বোধন কৰি গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই কয় যে এনেধৰণৰ আলোচনাই অসমীয়া ভাষা-সাহিত্যৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে আগ্ৰহীসকলক যথেষ্ট উপকৃত কৰিব৷ তদুপৰি তেওঁ অসমীয়া গদ্যৰ ইতিহাসৰ এটি ৰেঙণিও দাঙি ধৰে৷ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক নীলাক্ষি চেতিয়াই আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে কৰ্মশালাৰ সমল ব্যক্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ জেষ্ঠ প্ৰাধ্যাপক ড° বিভা ভৰালীয়ে অংশগ্ৰহণকাৰীসকলক প্ৰাচীন শিলালিপি পৰা আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ ইতিহাস দাঙি অসমীয়া গদ্যৰ গতি-প্ৰকৃতি বিষয়ে বিস্তৃত ৰূপত আলোচনা কৰে৷ তেওঁ শংকৰদেৱৰ সাহিত্যৰ জৰিয়তে আৰম্ভ হোৱা অসমীয়া গদ্যৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈ অসমীয়া গদ্যশৈলীৰ প্ৰতিটো স্তৰৰ বিশেষত্ব লগতে গদ্যৰ বিকাশত অৰিহণা আগবঢ়োৱা প্ৰতিজন মূল গদ্যকাৰৰ গদ্যশৈলীক পুংখানুপুংখভাৱে অৱলোকন কৰি শিক্ষাৰ্থীসকলক উপকৃত কৰে৷ বক্তব্যৰ অন্তত সমল ব্যক্তিগৰাকীয়ে অংশগ্ৰহণকাৰীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰে৷ অসমৰ বিভিন্ন ঠাইৰ তিনি শতাধিক শিক্ষক, গৱেষক, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনৰ আঁত ধৰে

অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দেৱযানী বকলীয়ালে৷ অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক তথা কৰ্মশালাৰ সমন্বয়ক প্ৰণৱ দুৱৰাই সমল ব্যক্তি ড° বিভা ভৰালীৰ লগতে সকলো অংশগ্ৰহণকাৰীলৈ শলাগৰ শৰাই আগবঢ়ায়৷ তদুপৰি কৰ্মশালাখনৰ সফল সমাপনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্ত, অসমীয়া বিভাগৰ মুৰব্বী নীলাক্ষি চেতিয়া, মুখ্য সমন্বয়ক ড° অংকুৰ দত্ত লগতে কাৰিকৰী দিশত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিত শইকীয়া আৰু দেৱযানী বকলীয়াল; অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া আৰু গড়গাঁও শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, সদস্যৰ হৈ মতামত আগবঢ়োৱা সম্পাদক তথা গড়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক বিতোপল বৰগোহাঞিক বিশেষভাৱে ধন্যবাদ জনায়৷ তথ্যসমৃদ্ধ তথা বিশদভাৱে কৰা আলোচনাটিয়ে স্নাতক, স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাৰ্থী, গৱেষক, অধ্যাপকসকলৰ লগতে অসমীয়া ভাষা-সাহিত্য অধ্যয়নৰ প্ৰতি আগ্ৰহী লোকসকলক বিশেষভাৱে উপকৃত কৰে৷

**Details-** The workshop was organized by the Assamese Department of the college and in collaboration with the Gargaon Branch Sahitya Sabha. The workshop was inaugurated by the Principal of Gargaon College Dr. Sabyasachi Mahanta, He also gave a glimpse of the history of Assamese prose, After the welcome speech by Head of Assamese Department and Associate Professor Nilakshi Chetia, Dr. Bibha Bharali, Senior Professor, Department of Assamese, University of Guwahati, discussed the history of Assamese literature starting from ancient inscriptions and the nature of Assamese prose He gave a thorough overview of the characteristics of each stage of Assamese prose style from the beginning of Assamese prose through the literature of Sankardev to the present as well as the prose style of each of the main prose writers who contributed to the development of prose After the speech, the resource person answered various questions of the participants The seminar was attended by more than 300 teachers, researchers and students from different parts of Assam. At the end of the programme, Associate Professor of Assamese Department and Coordinator of the workshop Pranab Dowarah thanked the resource person Dr. Bibha Bharali and all the participants The workshop was conducted by Dr. Sabyasachi Mohanta, Principal of the college, Nilakshi Chetia, Head of Assamese Department, Dr. Ankur Dutta, Chief Coordinator and Dr. Surjit, Coordinator of Internal Quality Assurance Cell of the college. The discussion is informative and detailed and will be of particular benefit to undergraduate and postgraduate students, researchers, professors and those interested in the study of Assamese language and literature

**5. An event was held for traditional food preparation**

**(Date 18-04-2022, to develop Assamese food skills)**

গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

**৫) বিষয়-অসমীয়া পৰম্পৰাগত খাদ্যাভাসৰ নিৰ্মাণ শৈলীৰ বিকাশঃ**


**বিশদ বিৱৰণ**-ভাৰতীয় সংস্কৃতিৰ পূবৰ দিশৰ প্ৰতিনিধি অসমীয়াসকলৰ ৰঙালী বিহু উপলক্ষ্যে আজি (১৮/০৪/২০২২) অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলৰ মাজত পৰম্পৰাগত অসমীয়া পিঠা-পনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানে অসমীয়া সংস্কৃতিৰ গুৰুত্বপূৰ্ণ অংগ বিহুৰ লগত জড়িত পৰম্পৰাগত দিশসমূহ প্ৰচাৰ-প্ৰসাৰ কৰাত সহায় কৰে। তাৰ লগতে পিঠা-পনা নিৰ্মাণৰ শৈলীৰ দিশতো অনুষ্ঠানটোৰ গুৰুত্ব আছিল৷ ছাত্ৰ-ছাত্ৰীসকলৰ এই শৈলী বিকাশৰ দিশটো অনুষ্ঠানটোৱে সহায় কৰে৷ অনুষ্ঠানত বিভাগীয় প্ৰধান নীলাক্ষি চেতিয়াকে ধৰি আটাইকেইজন অধ্যাপক উপস্থিত থাকে।

প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে স্নাতক ষষ্ঠ ষাণ্মাসিকৰ কুইন কোঁৱৰে আৰু দ্বিতীয় স্থান লাভ কৰে গীতাঞ্জলি দেৱীয়ে।

**Details-** On April 18, 2022, the Assamese Department organized an exceptional event. This program helps to promote the traditional aspects associated with Bihu, an important part of Assamese culture. There was also an emphasis on the style of making ‘pitha-pana’. The program helps the students to develop this style. The event was attended by the Head of the Department Nilakshi Chetia and all the professors.

The competition was won by Queen Konwar of the sixth semester of Bachelor's degree and Gitanjali Devi won the second place.

অনুষ্ঠানৰ স্থিৰচিত্ৰ- (Picture of the Event)





অনুষ্ঠানৰ কিছু মুহূৰ্ত বিভাগীয় ফেচবুক পেজৰ জৰিয়তে-
লিংক- (face book link of  the Event)
https://m.facebook.com/story.php?story_fbid=pfbid02gDqS2fFYXPiFSj3PzY6fa6nfiixo2gfLGFrfFvev5a31aPAPr3V3UacAT8yMB5TYl&id=100076051757921&mibextid=Nif5oz

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ
গড়গাঁও মহাবিদ্যালয়